মানৱ-সভ্যতাৰ আদি স্তৰতেই গল্পৰ জন্ম হৈছিল। কিন্তু সেই গল্পৰ লগত আধুনিক যুগৰ চুটি গল্পৰ বিশেষ মিল নাই। চুটি গল্পই চুটিকৈ লিখা গল্পক নুবুজায়। দৈৰ্ঘ্যৰ প্ৰশ্নটো চুটি গল্পত সম্পূৰ্ণভাৱে আওকাণ কৰিব পৰা বিধৰ নহ'লেও সেইটোৱে চুটি গল্পৰ প্ৰকৃতি নিৰ্ণয় নকৰে। চুটি গল্প স্বকীয় বৈশিষ্ট্যপূৰ্ণ এবিধ সাহিত্যকৰ্ম। কবিতা, নাটক, উপন্যাস আদিৰ দৰে ইয়াৰ নিজস্ব ধৰ্ম আছে। সেই হিচাপে চুটি গল্প ঊনবিংশ শতিকাৰ সৃষ্টি। ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধত ফ্ৰান্স আৰু ৰাছিয়াত পোনতে ইয়াৰ জন্ম হয়। প্ৰায় একে সময়তে অলপ অগা-পিছাকৈ আমেৰিকা, ইংলেণ্ড আৰু জাৰ্মানিতো চুটি গল্পই গঢ় লয়। চুটি গল্পৰ জন্ম আৰু বিকাশৰ লগত আলোচনী বা পত্ৰিকাৰ সম্পৰ্ক আছে। ঊনবিংশ শতিকাত পৃথিৱীৰ বিভিন্ন দেশত আলোচনীৰ পয়োভৰে চুটি গল্পৰ জন্মত কিছু পৰিমাণে হ'লেও বৰঙণি যোগায়। উপন্যাসৰ দৰে দীঘল কাহিনী আলোচনীত প্ৰকাশ কৰিবলৈ অসুবিধা হয় বাবেই আলোচনীৰ উপযোগী এক প্ৰকাৰৰ চুটি অথচ স্বয়ংসম্পূৰ্ণ কাহিনী ৰচনাৰ আৱশ্যকতা অনুভৱ কৰাৰ ফলতে চুটি গল্পৰ জন্ম সম্ভৱ হৈ উঠে। আলোচনীৰ প্ৰকাশ যিমানেই বৃদ্ধি পালে সিমানেই চুটি গল্পৰ চাহিদাও বাঢ়িবলৈ ধৰিলে। সেই কাৰণে চুটি গল্পক আলোচনীৰ সন্তান বুলি কোৱা হৈছে।

ভাৰতবৰ্ষত চুটি গল্পৰ জন্ম হয় ঊনবিংশ শতিকাৰ শেষৰ ফালে। ওড়িয়া সাহিত্যত ফকীৰ মোহন সেনাপতিৰ হাতত, বঙলা সাহিত্যত ৰবীন্দ্ৰনাথ ঠাকুৰৰ হাতত, হিন্দী সাহিত্যত প্ৰেমচন্দৰ হাতত চুটি গল্পই জন্ম লাভ কৰে। বিভিন্ন আলোচনীৰ পাতত এই লেখকসকলৰ গল্প প্ৰকাশ পায়। সেই সময়তে, ঊনবিংশ শতিকাৰ শেষ দশকত লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া চুটি গল্পৰ জন্ম দিয়ে আধুনিক অসমীয়া সাহিত্যৰ সিংহ দুৱাৰস্বৰূপ 'জোনাকী'ৰ (১৮৮৯) বুকুত। 'জোনাকী'ৰ চতুৰ্থ বছৰৰ চতুৰ্থ সংখ্যাত প্ৰকাশিত 'সেউতী' নামৰ গল্পটোৱেই বোধকৰোঁ বেজবৰুৱাৰ প্ৰথম চুটি গল্প। বেজবৰুৱাই সাধুকথা আৰু চুটি গল্পৰ মাজত স্পষ্ট সীমাৰেখা এডাল নিৰ্ধাৰণ কৰি লোৱা নাছিল আৰু তেওঁৰ গল্পৰ ক্ষেত্ৰত 'চুটি গল্প' নামটোও ব্যৱহাৰ কৰা নাছিল। মন কৰিবলগীয়া কথা যে চুটি গল্প ৰচনাৰ আগে আগে বেজবৰুৱাই আমাৰ প্ৰাচীন সাধুকথা কিছুমানক লিখিত ৰূপ দিছিল। এই সাধুকথাসমূহৰপৰা প্ৰেৰণা লৈয়েই বেজবৰুৱাই পোনতে চুটি গল্প ৰচনা কৰিছিল। কিন্তু বেজবৰুৱাৰ আটাইবোৰ গল্প একে পৰ্য্যায়ৰ নহয়। তেওঁৰ গল্পসমূহক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি।

কিছুমান গল্পত প্ৰকাশ পাইছে তেওঁৰ সমাজ-সংস্কাৰধৰ্মী কৃপাবৰী মনটো। এইবোৰত তেওঁ অসমীয়া সমাজৰ কুসংস্কাৰক অথবা অশুভ দিশবোৰক হাঁহিৰ ছলেৰে ব্যংগ কৰিছে। আন কিছুমান গল্পত প্ৰকাশ পাইছে বেজবৰুৱাৰ গভীৰ মানৱতাবোধ। এইবোৰ গল্পত তেওঁ মানুহৰ স্বাভাৱিক আৱেগ-অনুভূতিক, আনন্দ আৰু অশ্ৰুক সহানুভূতিশীল অন্তৰেৰে আৰু অতি সংবেদনশীলতাৰে ৰূপায়ণ কৰিছে। বেজবৰুৱাৰ সৰহভাগ গল্পই প্ৰাচীন কালৰ সাধু আৰু আধুনিক যুগৰ চুটি গল্পৰ মাজৰ বস্তু হ'লেও তেওঁৰ কেইবাটাও গল্প সাৰ্থক চুটি গল্পৰ লক্ষণেৰে পুষ্ট। 'ভদৰী', 'বাপিৰাম', 'পাতমুগী' ইয়াৰ উদাহৰণ। এই গল্পকেইটাত কাহিনীৰ বিন্যাস বৰ আটিল নহ'ব পাৰে; কিন্তু চুটি গল্পৰ কাৰণে প্ৰয়োজনীয় লক্ষ্য আৰু ফলশ্ৰুতিৰ একমুখিতা আৰু ভাবৰ ব্যঞ্জনাধৰ্মিতা মন কৰিবলগীয়া।

অসমীয়া চুটি গল্পৰ প্ৰাৰম্ভিক স্তৰত বেজবৰুৱাৰ লগতে শৰৎ চন্দ্ৰ গোস্বামীৰ বৰঙণিও স্বীকাৰ কৰিব লাগিব। বেজবৰুৱাৰ সমকালৰ হ'লেও বেজবৰুৱাতকৈ তেওঁৰ দৃষ্টিভংগি অলপ পৃথক আছিল। বেজবৰুৱাৰ ৰোমাণ্টিক আদৰ্শবাদৰ বিপৰীতে, গোস্বামীৰ গল্পত আছে এক বাস্তৱমুখী দৃষ্টিভংগি। মানুহৰ দুখ-দুৰ্দশা, প্ৰেম-প্ৰীতি আদিৰ চিত্ৰ তেওঁ অতি সংযত, সৰল আৰু পোনপটীয়াভাৱে আঁকি উলিয়াইছে আৰু মানুহৰ জীৱনৰ কৰুণ পৰিণতিৰ বাবে ব্যক্তিৰ দোষ-ত্ৰুটি অথবা সমাজৰ অন্যায়-অবিচাৰতকৈও ভাগ্যৰ পৰিহাসকেই বহু পৰিমাণে দায়ী কৰিছে।

'আৱাহন' (১৯২৯) আলোচনীৰ প্ৰকাশৰ সময়ৰেপৰা অসমীয়া চুটি গল্পৰ দ্বিতীয়টো স্তৰ আৰম্ভ হয়। 'জোনাকী'ৰ জৰিয়তে প্ৰৱেশ কৰা অসমীয়া চুটি গল্পই বিস্তাৰ লাভ কৰে 'আৱাহন'ৰ পাতত। দৰাচলতে, 'আৱাহন'ৰ যুগতেই অসমীয়া চুটি গল্প সাহিত্যকলাৰ এটি বিশিষ্ট আৰু জনপ্ৰিয় মাধ্যমত পৰিণত হয়। জোনাকী-যুগত কবিতাৰ যি জোৱাৰ উঠিছিল আৱাহন-যুগত সেই জোৱাৰ উঠিল চুটি গল্পৰ ক্ষেত্ৰত। 'আৱাহন'ক আশ্ৰয় কৰিয়েই এদল নতুন গল্প-লেখকৰ আৱিৰ্ভাৱ হ'ল আৰু তেওঁলোকে ৰূপবস্তু আৰু ভাববস্তুৰ বৈচিত্ৰ্যেৰে অসমীয়া চুটি গল্পক সমৃদ্ধ কৰি তুলিলে। মোপাছাঁ, চেখভৰ দৰে বিশ্ববিশ্ৰুত গল্পকাৰৰ আৰ্হিৰে বিষয়বস্তু দাঙি ধৰাৰ আৰু প্ৰখ্যাত মনঃসমীক্ষক ফ্ৰয়েডৰ অনুপ্ৰেৰণাৰে মানৱ-প্ৰকৃতি বিশ্লেষণ কৰাৰ চেষ্টা এওঁলোকৰ কিছুসংখ্যক গল্পৰ মাজেদি পৰিস্ফুট হৈ উঠিল। 'আৱাহন'ৰ জৰিয়তে আত্মপ্ৰকাশ কৰা এই গল্পকাৰসকলৰ ভিতৰত আছে নগেন্দ্ৰনাৰায়ণ চৌধুৰী, মহীচন্দ্ৰ বৰা, লক্ষ্মীধৰ শৰ্মা, হলিৰাম ডেকা, বীণা বৰুৱা, ত্ৰৈলোক্যনাথ গোস্বামী, ৰমা দাশ, ৰাধিকামোহন গোস্বামী, দীননাথ শৰ্মা, কৃষ্ণ ভূঞা আৰু অন্যান্য। এই লেখকসকলৰ উপৰিও আছে 'আৱাহন'ৰ বাহিৰত থাকি গল্পকাৰৰূপে প্ৰতিষ্ঠা লাভ কৰা লক্ষ্মীনাথ ফুকন।

নগেন্দ্ৰনাৰায়ণ চৌধুৰী আৰু মহীচন্দ্ৰ বৰাৰ গল্পত সামাজিক দায়বদ্ধতাৰ ছাপ

আছে। চৌধুৰীৰ গল্পত প্ৰকাশ পাইছে সমাজৰ পৰম্পৰাগত নৈতিক মূল্যবোধৰ ওপৰত গুৰুত্ব আৰু বৰাৰ গল্পত প্ৰকাশ পাইছে সমাজৰ অন্যায়-অবিচাৰৰ প্ৰতি সচেতনতা। মানুহৰ সুখ-দুখৰ চিত্ৰ চৌধুৰীয়ে অতি উদাৰ মনেৰে দাঙি ধৰিছে। আনহাতে, বৰাই সমাজৰ অশুভ শক্তিবোৰক তীব্ৰ ব্যংগবাণেৰে আঘাত কৰিছে। চুটি গল্পৰ বাবে প্ৰয়োজনীয় শিল্পগুণৰ প্ৰতি দুয়োজনে বৰকৈ চকু ৰখা নাই যদিও, বৰাৰ গল্পত ব্যংগ-ৰস আৰু বক্ৰাঘাতে চুটি গল্পৰ কলাত্মক দিশটোৰ অধিক ক্ষতি কৰিছে। হলিৰাম ডেকাৰ গল্প তেওঁৰ পূৰ্বসুৰীসকলতকৈ বহু পৰিমাণে উন্নত। চুটি গল্পৰ কাৰিকৰী দিশটোৰ প্ৰতি তেওঁ সজাগ। চেখভৰ দৰে নিচেই সাধাৰণ পৰিস্থিতি একোটাক তাৎপৰ্য্যপূৰ্ণ কৰি তুলিব পৰা ডেকাৰ গল্পৰ বিশেষত্ব। 'ভৱিষ্যৎ' আৰু 'ৰে বড়ে ভাই' গল্প দুটা ইয়াৰ দৃষ্টান্ত। বুদ্ধিদীপ্ত হাস্যৰস আৰু মৃদু ব্যংগ তেওঁৰ গল্পৰ অতিৰিক্ত  সম্পদ। লক্ষ্মীধৰ শৰ্মা আৰু ৰমা দাশে ভিন্ন স্বাদৰ গল্পৰ যোগান ধৰি অসমীয়া চুটি গল্পক এক নতুন আয়তন দান কৰে। আৱাহন-যুগৰ গল্প-লেখকসকলৰ ভিতৰত লক্ষ্মীধৰ শৰ্মাৰ গল্পতেই ভাব আৰু পৰিস্থিতি আটাইতকৈ গভীৰভাৱে পৰিস্ফুট হৈছে। শৰ্মাৰ গল্পত এফালে আছে যৌন কামনাৰে পূৰ্ণ চৰিত্ৰৰ মনস্তাত্বিক বিশ্লেষণ আৰু আনফালে আছে প্ৰখৰ সমাজ-চেতনা। এহাতে আছে ফ্ৰয়েডীয় মনঃসমীক্ষণ আৰু আনহাতে আছে প্ৰগতিবাদী চিন্তা, মাৰ্ক্সীয় আদৰ্শ। তেওঁৰ গল্পতেই পোনপ্ৰথমে নাৰীয়ে পৰম্পৰাগত সামাজিক বান্ধোনৰ বিৰুদ্ধে গৈ বৈপ্লৱিক মানসিকতাৰ পৰিচয় দিছে। ৰমা দাশৰ গল্পত পোৱা যায় ৰোমাণ্টিক কল্পনাৰ সাৱলীল আৰু বৰ্ণাঢ্য প্ৰকাশ। ডেকা-গাভৰুৰ প্ৰেমক কেন্দ্ৰ কৰি মানুহৰ জৈৱিক কামনাৰ সংস্কাৰমুক্ত বিশ্লেষণ অথবা নগৰীয়া মধ্যবিত্তৰ ৰোমাণ্টিক ভাববিলাসিতা আৱেগসঞ্চাৰী প্ৰকাশভংগিৰে তেওঁ দাঙি ধৰিছে। লক্ষ্মীধৰ শৰ্মাৰ গল্পৰ ভাবৰ গভীৰতা আৰু ভাষাৰ সংযম ৰমা দাশৰ গল্পত নাই; কিন্তু কল্পনাৰ বিচিত্ৰ সম্ভাৰেৰে ৰমণীয় কাহিনী নিৰ্মাণ কৰি উলিওৱাত ৰমা দাশ অদ্বিতীয়। বীণা বৰুৱাৰ গল্পত আছে স্বাভাৱিক পৰিবেশ, পৰিচিত চৰিত্ৰ আৰু সৰল কথনভংগিৰ সহায়েৰে জীৱনৰ দুটা-এটা মৌলিক সত্য প্ৰকাশ কৰাৰ চেষ্টা, আৰু ত্ৰৈলোক্যনাথ গোস্বামীৰ গল্পত আছে সম্পূৰ্ণ বাস্তৱ দৃষ্টিভংগিৰে সমাজৰ দুখ-দৈন্যৰ স্বৰূপ উদঙাই দেখুৱাৰ আগ্ৰহ। প্ৰচলিত সমাজ-ব্যৱস্থাত অসন্তুষ্টি আৰু পীড়িত সকলৰ প্ৰতি সহানুভূতি গোস্বামীৰ গল্পৰ প্ৰধান বিষয়। কিন্তু এই ধৰণৰ বিষয়ৰ ব্যতিক্ৰম ঘটা দুই-এটা গল্পতহে চুটি গল্পৰ কলাকাৰ হিচাপে তেওঁ অধিক কৃতকাৰ্য্য হৈছে। 'গৱেষণাৰ গজালি' নামৰ গল্পটো ইয়াৰ এটা উদাহৰণ। ভাষাৰ মিতব্যয়িতা গোস্বামীৰ গল্পৰ এটি মন কৰিবলগীয়া বিশেষত্ব। কৃষ্ণ ভূঞাৰ গল্পত ভাবৰ অগতানুগতিকতা তথা অন্তৰ্মুখিতা, ভাষাৰ ব্যঞ্জনাধৰ্মিতা আৰু কৌশলৰ প্ৰতি সজাগতাই আৱাহন-যুগৰ গল্পক এক সুকীয়া মৰ্য্যাদা দান কৰিছে। ভূঞাৰ 'যাদুঘৰ' নৰ-নাৰীৰ প্ৰেমৰ আধাৰত ৰচিত হ'লেও লেখকৰ

সুকীয়া দৃষ্টিভংগিয়ে গল্পটোক সাধাৰণ প্ৰেমৰ গল্পৰপৰা পৃথক কৰিছে। উপযুক্ত প্ৰতীকৰ ব্যৱহাৰ গল্পটোৰ সংবেদনশীলতাৰ অন্য এক কাৰণ। 'আৱাহন'ৰ জন্মৰ আগৰেপৰা স্বাধীনতা লাভৰ পিছলৈকে সুদীৰ্ঘ দিন ধৰি গল্প ৰচনাত লাগি থকা লক্ষ্মীনাথ ফুকনৰ গল্প কলা-কৌশলৰ ফালৰপৰা নিখুঁত নহয়। নগেন্দ্ৰনাৰায়ণ চৌধুৰী আৰু মহীচন্দ্ৰ বৰাৰ গল্পৰ দৰে তেওঁৰ সৰহভাগ গল্পই উপন্যাসধৰ্মী। গল্পৰ কাহিনী জীৱনৰ কোনো এটি মুহূৰ্তত আবদ্ধ হৈ থকা নাই। আনকি, 'মৰমৰ মাধুৰী'ৰ দৰে কোনো কোনো গল্পত একোজন মানুহৰ সমগ্ৰ জীৱনকালকেই সামৰি লোৱা হৈছে। কিন্তু ফুকনৰ গল্পৰ মাজেদি পৰিস্ফুট হৈ উঠা মানৱতাবাদী দৃষ্টিভংগি আৰু তেওঁৰ ভাষাৰ স্বচ্ছন্দ গতি আৰু হাস্যৰসযুক্ত সাৱলীল ভংগিয়ে পাঠকৰ অন্তৰ স্পৰ্শ কৰে।

'আৱাহনে' সৃষ্টি কৰা যুগটোৰ অন্ত পৰিছিল দ্বিতীয় মহাযুদ্ধৰ আৰম্ভণিৰ লগে লগে। আৱাহন-যুগত বিস্তৃতি লাভ কৰা অসমীয়া চুটি গল্প আৰু অধিক সমৃদ্ধিশালী হৈ উঠে স্বৰাজোত্তৰ কালত। এই সময়ত অসমীয়া চুটি গল্পই ভাৰতৰ যি কোনো প্ৰান্তীয় ভাষাৰ চুটি গল্পৰ লগত ফেৰ মাৰিব পৰা হ'ল। চুটি গল্পৰ সমৃদ্ধি আৰু জনপ্ৰিয়তাত বিশেষভাৱে সহায় কৰিলে 'ৰামধেনু' (১৯৫১) আলোচনীয়ে। ইয়াৰ আগতে 'জয়ন্তী' (১৯৪৩) আলোচনীয়ে অসমীয়া সাহিত্যৰ প্ৰকৃতি সলনি কৰি দিছিল। 'ৰামধেনু'ৱে নতুন ধাৰাৰ সাহিত্যৰ বিস্তাৰ আৰু জনপ্ৰিয়তাত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। আচলতে, 'ৰামধেনু'ক কেন্দ্ৰ কৰিয়েই পঞ্চাছৰ দশকৰ সাহিত্য গঢ় লৈ উঠিল। সেইফালৰপৰা পঞ্চাছৰ দশকটোক ৰামধেনু-যুগ বুলি ক'ব পাৰি। 'ৰামধেনু'ৰ সময়ৰেপৰা অসমীয়া চুটি গল্পৰ তৃতীয়টো স্তৰ আৰম্ভ হয়, যদিও এই স্তৰটোৰ বীজ অংকুৰিত হৈছিল 'জয়ন্তী'ৰ পাততেই। দ্বিতীয় মহাযুদ্ধৰ আগতে আৰম্ভ কৰা গল্পকাৰসকলৰ লগত যোগ দিলেহি 'ৰামধেনু'ৰ পাতত আত্মপ্ৰকাশ কৰা এচাম নতুন লেখকে। তেওঁলোকৰ জৰিয়তে চুটি গল্পৰ ভাববস্তু আৰু কলা-কৌশলৰ পৰিসৰ বহল হ'ল। মহাযুদ্ধই ইতিপূৰ্বে প্ৰচলিত সামাজিক দৃষ্টিভংগি আৰু মূল্যবোধক জোকাৰি থৈ গৈছিল। মহাযুদ্ধৰ অলপ পিছতে ভাৰতবৰ্ষৰ ভিতৰতে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে চলি থকা আন এখন দীৰ্ঘকালীন যুদ্ধৰো অন্ত পৰিল। ভাৰতে স্বাধীনতা পালে। স্বাধীনতা লাভে মানুহৰ মনত নতুন আশাৰ সঞ্চাৰ কৰিলে। কিন্তু স্বাধীনতাৰ পিছতেই নতুন নতুন সমস্যাৰ উদ্ভৱ হ'ল। অৰ্থনৈতিক সংকটে জটিল ৰূপ ধাৰণ কৰিলে। সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ অৱনতিয়ে মানুহৰ মনলৈ হতাশা আনিলে। স্বাধীনতাৰ পিছত উদ্ভৱ হোৱা সমস্যাসমূহে জীৱন আৰু সমাজ সম্পৰ্কীয় মূল্যবোধৰ ৰূপান্তৰত আৰু অধিক বৰঙণি যোগালে। নতুন অনুভূতিৰ প্ৰকাশে সাহিত্যৰ গতি-প্ৰকৃতি সলনি কৰি দিলে। ইয়াৰ লগতে আহিল পশ্চিমীয়া মতাদৰ্শৰ প্ৰভাৱ। স্বাধীনতাই সকলো বন্ধন মুকলি কৰি দিলত বহিৰ্জগতৰ লগত প্ৰত্যক্ষ সংযোগ ঘটিল। ন ন চিন্তাৰ প্ৰৱেশ আৰু

সংস্কৃতিৰ সংযোগে সাহিত্যৰ বৈচিত্ৰ্যত সহায় কৰিলে। সমাজবাদী, মনস্তাত্বিক, অস্তিত্ববাদী আদি বিভিন্ন ভাবধাৰাৰ প্ৰভাৱে চুটি গল্পক বৈচিত্ৰ্যময় কৰি তুলিলে। যুগৰ জটিলতাই সৃষ্টি কৰা কঠোৰ বাস্তৱতাৰ প্ৰতি লেখকসকলৰ সজাগতা বাঢ়িল। তেওঁলোকে পূৰ্বৰ ৰসপূৰ্ণ কাহিনীৰ পৰিৱৰ্তে ভাবঘন পৰিস্থিতি ব্যঞ্জনাময় প্ৰকাশভংগিৰে দাঙি ধৰাৰ চেষ্টা কৰিলে। সমকালীন জীৱনৰ দ্বন্দ্ব গল্পৰ মাজেদি ৰূপায়িত হ'ল। আংগিকৰ অভিনৱত্বৰ প্ৰতিও কোনো কোনো লেখকে মনোযোগ দিলে। চৰিত্ৰৰ সূক্ষ্ম মনোবিশ্লেষণৰ কাৰণে দুই-এজনে চেতনাস্ৰোত পদ্ধতিৰ সহায় ল'লে।

পঞ্চাছ আৰু ষাঠিৰ দশকত অসমীয়া চুটি গল্পৰ ভাববস্তু আৰু ৰূপবস্তুৰ পৰিৱৰ্তন আৰু পৰিবৰ্ধনত যিসকল গল্পকাৰে সহায় কৰিলে তেওঁলোকৰ ভিতৰত চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, যোগেশ দাস, মহিম বৰা, চন্দ্ৰপ্ৰসাদ শইকীয়া, হোমেন বৰগোহাঞি, সৌৰভকুমাৰ চলিহা, ভবেন্দ্ৰনাথ শইকীয়া, লক্ষ্মীনন্দন বৰা, স্নেহ দেৱী, নিৰুপমা বৰগোহাঞি আদিৰ নাম ল'ব পাৰি। অসমীয়া সাহিত্যত আটাইতকৈ সৰহ সংখ্যক চুটি গল্প লিখা আৰু আৱাহন-যুগতেই আৰম্ভ কৰি 'জয়ন্তী'ত গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰা মালিকৰ গল্পই বিষয়বস্তু আৰু কলা-কৌশলকে ধৰি সকলো দিশৰপৰা পৈণত অৱস্থা লাভ কৰে স্বাজোত্তৰ কালত। পূৰ্বৰ ৰোমাণ্টিক ভাববিলাস আৰু শিথিল ৰচনাৰীতিৰপৰা মুক্ত হৈ সামাজিক চেতনাৰ প্ৰতিফলন আৰু মানৱীয় অনুভূতিৰ সূক্ষ্ম, সংযত আৰু ব্যঞ্জনাধৰ্মী বৰ্ণনাৰে মালিকৰ গল্প সমৃদ্ধ হৈ উঠে। ইয়াৰ উদাহৰণ তেওঁৰ 'হৰিমাষ্টৰৰ দোকান', 'লাইফটো—আই মীন' প্ৰভৃতি গল্প। অসমীয়া চুটি গল্পৰ ক্ষেত্ৰ-প্ৰসাৰণত মালিকৰ দান স্বীকাৰ কৰিব লাগিব। ৰোমাণ্টিক স্বপ্ন আৰু নৰ-নাৰীৰ যৌন-সম্পৰ্কৰ বিশ্লেষণৰপৰা আৰম্ভ কৰি সামাজিক বাস্তৱতালৈকে বিভিন্ন বিষয় মালিকৰ গল্পই সামৰি লৈছে। বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ খ্যাতি গল্পতকৈ উপন্যাসত অধিক। তেওঁৰ গল্পত সামাজিক বাস্তৱবোধে প্ৰধান ভূমিকা লৈছে। সমাজবাদত বিশ্বাসী এইগৰাকী লেখকৰ কেইটামান গল্পত মানৱতাবাদ আৰু জীৱনবোধৰ গভীৰতা আকৰ্ষণীয়ভাৱে প্ৰকাশ পাইছে। 'এজনী জাপানী ছোৱালী', 'মিঞা মনচুৰ' আদি গল্প বিষয় আৰু আংগিক উভয় ফালৰপৰা বৈশিষ্ট্যপূৰ্ণ। মহিম বৰাই ঘটনাৰ উপযোগী বাস্তৱ পৰিবেশ সৃষ্টিত আৰু যোগেশ দাসে সহজ-সৰল কথনভংগিৰে মানৱীয় আবেদনপুষ্ট কাহিনীৰ ৰূপায়ণত দক্ষতা প্ৰদৰ্শন কৰিছে। বৰাৰ 'কাঠনিবাৰী ঘাট' আৰু দাসৰ 'পৃথিৱীৰ অসুখ' দুটা প্ৰতিনিধিত্বমূলক গল্প। বৰাৰ কেইটামান গল্পত ভাবৰ গভীৰতা তথা ব্যঞ্জনাধৰ্মিতা আৰু কলা-কৌশলৰ প্ৰতি সজাগতা মন কৰিবলগীয়া। 'এখন নদীৰ মৃত্যু' গল্পটো ইয়াৰ এক দৃষ্টান্ত। ৰামধেনু-যুগৰপৰা এতিয়ালৈকে গল্প লিখি থকা চন্দ্ৰপ্ৰসাদ শইকীয়াৰ সৰহভাগ গল্পত আদৰ্শপৰায়ণ চৰিত্ৰ-সৃষ্টিৰ প্ৰৱণতা লক্ষ্য কৰিব পাৰি। চুটি গল্পৰ কাৰণে প্ৰয়োজনীয় লক্ষ্য আৰু

উদ্দেশ্যৰ একমুখিতা আৰু প্ৰকাশভংগিৰ নাটকীয়তাই তেওঁৰ কেইটামান গল্পক বৈশিষ্ট্যপূৰ্ণ কৰি তুলিছে। আধুনিক জীৱনৰ বিভিন্ন ভাবৰ প্ৰতিফলন ঘটিছে হোমেন বৰগোহাঞিৰ গল্পত। চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণৰপৰা আৰম্ভ কৰি সমাজৰ সমালোচনামূলক দৃষ্টিভংগীলৈকে বহুতো দিশ বৰগোহাঞিৰ গল্পত বলিষ্ঠ ভাষা আৰু বিষয়োপযোগী কৌশলৰ জৰিয়তে দাঙি ধৰা হৈছে। নিসংগ চেতনাই মানুহৰ মনত সৃষ্টি কৰা অনুভূতি, মানুহৰ কুৎসিত, কদৰ্য্যপূৰ্ণ জীৱনৰ আঁৰত থকা প্ৰকৃত সত্য তেওঁৰ গল্পত গভীৰভাৱে ৰূপায়িত হৈছে। বৰগোহাঞিৰ 'ভয়', 'ইস্মাইল ছেখৰ সন্ধানত', 'শিশুৰ হাঁহি'ৰ দৰে গল্পৰ অন্তৰ্মুখী সংবেদনশীলতাই পাঠকৰ মনত দোলা দি যায়। 'ইস্মাইল ছেখৰ সন্ধানত' আৰু 'নৰকত বসন্ত' গল্পত ছিন্নমূল জীৱনৰ বৰ্ণনাই পাঠকৰ নিভৃত অনুভূতিক স্পৰ্শ কৰে। আধুনিক নগৰকেন্দ্ৰিক জীৱনৰ নিসংগতা, বিচ্ছিন্নতা আৰু অন্তঃসাৰশূন্যতা বুদ্ধিদীপ্ত প্ৰকাশভংগি তথা কৌশলেৰে প্ৰকাশ কৰা হৈছে সৌৰভকুমাৰ চলিহাৰ গল্পত। চলিহাৰ গল্প কোৱাৰ নিজস্ব ভংগি আছে। সেই অননুকৰণীয় ভংগিত যিদৰে প্ৰকাশ পায় ভাবৰ গভীৰতা আৰু অন্তৰ্দৃষ্টি, সেইদৰে প্ৰকাশ পায় উন্নত কলা-কুশলতা আৰু নান্দনিক চেতনা। 'অশান্ত ইলেকট্ৰন', 'বীণা কুটিৰ', 'গোলাম' তেওঁৰ তিনিটা বিশিষ্ট গল্প। তথাকথিত গল্প অথবা সুসংহত কাহিনী নথকাকৈও যে ভাল চুটি গল্পৰ সৃষ্টি হ'ব পাৰে সৌৰভকুমাৰ চলিহাৰ 'অশান্ত ইলেক্‌ট্ৰন' গল্পটোৱেই তাৰ নিদৰ্শন। ভবেন্দ্ৰনাথ শইকীয়াই দৈনন্দিন জীৱনৰ নিচেই সৰু-সুৰা ঘটনাৰ আধাৰত সুন্দৰ পৰিস্থিতি নিৰ্মাণ কৰি উলিয়াই ভাববস্তুক ব্যঞ্জিত কৰি তোলে। সূক্ষ্ম পৰ্য্যবেক্ষণ শক্তি আৰু সাৱলীল, মাৰ্জিত প্ৰকাশভংগি তেওঁৰ গল্পৰ সম্পদ। 'এন্দুৰ', 'গহ্বৰ', 'ঢোৰা সাপ' আদি শইকীয়াৰ প্ৰতিনিধিত্বমূলক গল্প। গ্ৰাম্য জীৱনৰ সজীৱ চিত্ৰ দাঙি ধৰি ঐতিহ্যৰ সন্ধান কৰিছে লক্ষ্মীনন্দন বৰাই 'সখা দামোদৰ'ৰ দৰে কেইটামান গল্পত। অৱশ্যে তেওঁৰ পিছৰ গল্পসমূহ নগৰীয়া জীৱনক কেন্দ্ৰ কৰি লিখা। এইবোৰত তেওঁৰ পূৰ্বৰ প্ৰতিশ্ৰুতি ৰক্ষা নপৰিলেও জীৱনৰ সৰু-সুৰা, বৈচিত্ৰ্যহীন ঘটনাক বাস্তৱ ৰূপত দাঙি ধৰাৰ চেষ্টা ভালেমান গল্পতেই আছে। স্নেহ দেৱীৰ গল্পত প্ৰাত্যহিক জীৱনৰ সাধাৰণ ঘটনা একোটাৰ মাজেদি আদৰ্শ ৰূপায়ণ কৰাৰ আগ্ৰহ চকুত পৰে। নাৰী জীৱনৰ অনুভূতি—দ্বন্দ্ব আৰু নিৰ্য্যাতন নিৰুপমা বৰগোহাঞিৰ গল্পৰ প্ৰধান বিষয়। 'এনথ্ৰপলজিৰ সপোনৰ পিছত' তেওঁৰ এটি উন্নত মানৰ গল্প। গল্পটোত পৰিস্ফুট হৈ উঠা গ্ৰাম্য জীৱনৰ জীৱন্ত চিত্ৰই পাঠকৰ মনত ৰেখাপাত কৰে।

ষাঠি আৰু সত্তৰৰ দশকৰ ভিতৰত প্ৰতিষ্ঠা লাভ কৰা গল্পকাৰসকলৰ ভিতৰত নিৰোদ চৌধুৰী, ইমৰান শ্বাহ, শীলভদ্ৰ, অতুলানন্দ গোস্বামী, নগেন শইকীয়া, অৰুণ গোস্বামী, মামণি ৰয়ছম গোস্বামী, অণিমা দত্ত, নীলিমা শৰ্মা, অপূৰ্ব শৰ্মা, কুমুদ

গোস্বামী আদিৰ নাম ল'ব পাৰি। প্ৰেমক প্ৰধান বিষয়ৰূপে লৈ নিৰোদ চৌধুৰী আৰু ইমৰাণ শ্বাহে সৰল, প্ৰাঞ্জল প্ৰকাশভংগিৰে সুখপাঠ্য কাহিনী পৰিবেশন কৰিছে। শীলভদ্ৰৰ গল্পত কম পৰিসৰতে চৰিত্ৰ আৰু পৰিবেশ ফুটাই তুলিব পৰা দক্ষতা চকুত পৰে। অতুলানন্দ গোস্বামীৰ গল্পত বিষয়ৰ প্ৰতি সূক্ষ্ম দৃষ্টি আৰু ভাষাৰ গীতিধৰ্মী সৰসতা, নগেন শইকীয়াৰ গল্পত আংগিকৰ প্ৰতি সজাগতা আৰু কাব্যিকতা, অৰুণ গোস্বামীৰ গল্পত শ্ৰেণী-বৈষম্য আৰু নিপীড়িত সকলৰ প্ৰতি অনুকম্পা, কুমুদ গোস্বামীৰ গল্পত ব্যঞ্জনাধৰ্মিতা মন কৰিবলগীয়া। মামণি ৰয়ছম গোস্বামীয়ে নাৰী মৰস্তত্ত্বৰ বহুতো কথা আৰু সমাজৰ কুসংস্কাৰ নিৰ্ভীকভাৱে প্ৰকাশ কৰিছে। নাৰীমনৰ অনুভূতি আৰু দ্বন্দ্ব মনোৰমভাৱে দাঙি ধৰিছে অণিমা দত্ত আৰু নিলীমা শৰ্মাই।

সত্তৰৰ দশকৰ পিছত যি কেইগৰাকী গল্পকাৰে ভাববস্তু আৰু ৰূপবস্তুৰ বিশিষ্টতাৰে পাঠকৰ মনোযোগ আকৰ্ষণ কৰিছে তেওঁলোকৰ ভিতৰত আছে দেবব্ৰত দাস, অৰূপা পটংগীয়া কলিতা আৰু মনোজকুমাৰ গোস্বামী। দেবব্ৰত দাসৰ গল্পত সমকালীন পৰিস্থিতিৰ প্ৰতি সজাগতা আৰু কৌশলৰ অগতানুগতিকতা, অৰূপা পটংগীয়া কলিতাৰ গল্পত সামাজিক দায়বদ্ধতা আৰু মনোজকুমাৰ গোস্বামীৰ গল্পত ভাবৰ অন্তৰ্মুখিতা আৰু কাহিনীৰ নিটোলতা চকুত পৰে। সাম্প্ৰতিক কালৰ গল্পকাৰসকলৰ লেখালৈ চালে বুজিব পাৰি যে অসমীয়া গল্প ক্ৰমে পৰম্পৰাগত ধাৰাৰপৰা আঁতৰি আহিছে। কাহিনীৰ প্ৰচলিত ধাৰণা এতিয়া প্ৰায় নাইকিয়া হৈ গৈছে। নতুন শৈলীৰে গল্পই মানুহৰ মনোজগতত প্ৰৱেশ কৰাৰ চেষ্টা কৰিছে। বাহ্য ঘটনাৰ ঠাই লৈছে মানুহৰ মনৰ ভিতৰত সংঘটিত ক্ৰিয়া-প্ৰতিক্ৰিয়াই। সেইফালৰপৰা চুটি গল্প কবিতাৰ অধিক ওচৰ চপা হৈছে।

*শৈলেন ভৰালী*